**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 19-**06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সফল ফ্ৰান্স ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওনা হৈছে।

২। বিশ্বৰ বিশ্বাসযোগ্য সহযোগি হিচাপে ভাৰতৰ উত্থান হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশত আন্তঃৰাষ্ট্ৰীয় ছিকেল ছেল দিৱসৰ অনুষ্ঠানত ভাগ ল'ব।

৪। ভাৰতে মহিলাৰ এফ আই এইছ নেছনছ কাপ হকী প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা চেকিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ গ্ৰুপ-এৰ খেলখন ১-১ গ'লত ড্ৰ হয়।

0000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সফল ফ্ৰান্স ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওনা হৈছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে অনাগত সময়ত ভাৰত আৰু ফ্ৰান্সৰ মাজৰ মিত্ৰতা অধিক শক্তিশালী হ'ব। তেওঁ কয়, যে ফ্ৰান্সৰ এই যাত্ৰাই ভালেমান ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰাত সহায় কৰিছে। নিচত ভাৰত উদ্ভাৱন কাৰ্যসূচীৰ উদ্বোধনেৰে আৰম্ভ হোৱা এই যাত্ৰাৰ পৰৱৰ্তী পৰ্যায়ত প্ৰধানমন্ত্ৰীয়ে এভিয়ানত অনুষ্ঠিত জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনত ভাগ লয়। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে পেৰিছত আয়োজিত ভিভাটেক শীৰ্ষ সন্মিলন আৰু এটা সমূহীয়া অনুষ্ঠানত অংশ লয়। তেওঁ লগতে কেইবাগৰাকীও আগশাৰীৰ মুখ্য কাৰ্যবাহী বিষয়াক দেখা কৰে। শ্ৰী মোদীয়ে ফ্ৰান্সত লাভ কৰা আতিথ্যৰ বাবে ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ' আৰু দেশখনৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধিৰ জয়ছোৱালে এটা বিবৃতি যোগে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ এই সফল ভ্ৰমণে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ বিশেষ গোলকীয় কৌশলগত সহযোগিতাত গতি প্ৰদান কৰিছে আৰু গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ প্ৰতি থকা দেশ দুখনৰ প্ৰতিশ্ৰুতিবদ্ধতা অধিক সুদৃঢ় কৰি তুলিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই প্ৰধানমন্ত্ৰী মোদীৰ ফ্ৰান্স যাত্ৰাৰ সমাপনৰ সময়ত হিন্দীত এটা বিশেষ বিদায় ভিডিঅ' বাণিবদ্ধ কৰে।

0000

বিশ্বৰ বিশ্বাসযোগ্য সহযোগি হিচাপে ভাৰতৰ উত্থান হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। পেৰিছত যোৱা নিশা প্ৰবাসী ভাৰতীয়সকলৰ সমাৱেশত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে এসময়ত অকল ব্যৱসায়ৰ ভিত্তিত বিভিন্ন দেশৰ মাজৰ সম্পৰ্ক নিৰ্ধাৰণ হৈছিল যদিও সম্প্ৰতি ব্যৱসায়ৰ লগতে বিশ্বাসো সমানে গুৰুত্বপূৰ্ণ হৈ পৰিছে। প্ৰধানমন্ত্ৰীয়ে

কয়, যে প্ৰতিখন ৰাষ্ট্ৰই নিৰ্ভৰযোগ্য যোগান শৃংখলা আৰু সুস্থিৰ সহযোগিতা বিচাৰে। প্ৰতিখন ৰাষ্ট্ৰ দীৰ্ঘকালৰ বাবে বিশ্বাস কৰিব পৰা সহযোগী সন্ধানত ব্ৰতী হোৱা বুলি তেওঁ উল্লেখ কৰে।

(বাইট ঃ মোদী)

শ্ৰী মোদীয়ে কয়, যে দেশে ভৱিষ্যৎ প্ৰজন্মৰ বাবে বিকাশ উদ্ভাৱন আৰু সুযোগ সৃষ্টি কৰিব পৰা খণ্ডসমূহত বিনিয়োগ কৰি আছে। এয়া ভাৰতৰ যাত্ৰাৰ নিৰ্ণায়ক সময় বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে বৰ্তমান দেশৰ আশা-আকাংক্ষা নতুন শিখৰত উপনীত হৈছে। এভিয়ানত অনুষ্ঠিত জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনত আস্থা আধাৰিত সহযোগিতাত গুৰুত্ব আৰোপ কৰা বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে জি ছেভেন শীৰ্ষ সন্মিলনত সৰ্বাত্মক হ'লেহে গোলকীয় প্ৰশাসন ফলপ্ৰসূ হ'ব বুলি ভাৰতে স্পষ্ট বাৰ্তা দিছে। তেওঁ লগতে কয়, যে সমূহীয়াভাৱে আগবাঢ়িলেহে বিকাশ স্থায়ী হ'ব আৰু নিৰ্ভৰযোগ্য প্ৰযুক্তিহে সঁচা অৰ্থাৎ মানৱ জাতিৰ উপকাৰ সাধন কৰিব। বিশ্ব সম্প্ৰতি অনিশ্চয়তা আৰু অন্তৰায়ৰ সন্মুখীন হৈছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই প্ৰত্যাহ্বানপূৰ্ণ সময়ত ভাৰত আৰু ফ্ৰান্সৰ মাজত অংশীদাৰিত্ব আস্থা, সুস্থিৰতা আৰু সহযোগিতাৰ শক্তিশালী স্তম্ভৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে দুয়ো পক্ষই উভয় দেশৰ মাজৰ সম্পৰ্কক বিশেষ গোলকীয় কৌশলগত সহযোগিতালৈ উন্নীত কৰিছে। দুয়োখন দেশে অহা বছৰ **তৃষ্ণা** নামৰ এটা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। এই উপগ্ৰহটোৱে বিশ্বৰ জল আৰু খাদ্য সুৰক্ষা সুনিশ্চিত কৰাত অৰিহণা যোগাব বুলি তেওঁ কয়।

বৰ্তমানৰ বিজেপি চৰকাৰে ১২ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত ফ্ৰান্সত উপস্থিত হোৱাৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰতত যোৱা ১২ বছৰত বিভিন্ন ক্ষেত্ৰত আমূল পৰিৱৰ্তন হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে আৰ্থিক বিকাশৰ উপৰি ভাৰতৰ এই যাত্ৰাই  জনসাধাৰণৰ সৰলীকৰণ আৰু তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাত বিশেষভাৱে সহায় কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ হুগলী জিলাৰ তাৰকেশ্বৰত  কাইলৈ **প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি**ৰ ২৩ সংখ্যক কিস্তি মুকলি কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে জনায় যে, এই আঁচনিৰ অধীনত সমগ্ৰ দেশৰ প্ৰায় ৯ কোটি ৪৪ লাখ কৃষকৰ বেংক একাউণ্টত পোনপটীয়াকৈ ১৮ হাজাৰ ৮৮০ কোটিতকৈও অধিক টকা জমা হ'ব। এই আঁচনিৰ জৰিয়তে প্ৰায় দুই কোটি ১৮ লাখ মহিলা কৃষকো উপকৃত হ'ব। মন্ত্ৰালয়ে জনায় যে, ২০১৯ বৰ্ষত আৰম্ভ হোৱা এই আঁচনিৰ জৰিয়তে এতিয়ালৈকে চাৰি কোটি ৪৪ লাখ টকা কৃষকৰ একাউণ্টত জনা কৰা হৈছে। এই অনুষ্ঠানত প্ৰধাৰমন্ত্ৰীগৰীয়ে লগতে পশ্চিমবংগৰ কেইবাটাও গুৰুত্বপূৰ্ণ কৃষি প্ৰকল্প উদ্বোধন কৰিব। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা অন্যতম। শ্ৰী মোদীয়ে লগতে ডিজিটেল কৃষি মিছনৰ অধীনত এগ্ৰিষ্টেক প'ৰ্টেল মুকলি কৰিব। উল্লেখযোগ্য যে, এই মঞ্চৰ জৰিয়তে শস্য বীমা, ঋণ, সাৰ বিতৰণ আদিৰ দৰে সেৱাসমূহ কৃষকসকলৰ বাবে সহজতে উপলব্দ। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনত প্ৰাকৃতিক কৃষি পদ্ধতিৰ ৰাষ্ট্ৰীয় মিছনৰ উদ্বোধন কৰিব। ইয়াৰ উপৰি পুৰুলীয়া, দাৰ্জিলিং, আলিপুৰদুৱাৰ আৰু ঝাৰগ্ৰাম জিলাত কৃষিৰ ক্ষেত্ৰত উৎপাদনশীলতা বৃদ্ধি, জনসিঞ্চন, আন্তঃগাঁথনি শক্তিশালী কৰা, কৃষকৰ আনুষ্ঠানিক ঋণৰ সুবিধা উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰী ধন্যধান্য কৃষি যোজনা মুকলি কৰিব। কৃষি মন্ত্ৰালয়ে জনায় যে, সমগ্ৰ দেশত পি এম কিষাণ উৎসৱ দিৱস হিচাপে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব, য'ত এক কোটিৰো অধিক কৃষকে ভিডিঅ কনফাৰেন্সিঙৰ জৰিয়তে মূল অনুষ্ঠানত ভাগ ল'ব।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তিনি দিনীয়া ভ্ৰমণসূচীৰে আজি লাডাখৰ লেহত উপস্থিত হ'ব। চলিত মাহৰ ২১ তাৰিখলৈ এই কেন্দ্ৰীয় শাসিত অঞ্চলটোত প্ৰথম আনুষ্ঠানিক ভ্ৰমণ কাৰ্যসূচীত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে অংশগ্ৰহণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লুকুং গাঁৱত উপস্থিত হৈ বিভিন্ন আত্মসহায়ক গোটৰ সদস্যৰ সৈতে মত বিনিময় কৰিব। ভাইব্ৰেণ্ট ভিলেজ প্ৰকল্পৰ অধীনত সীমান্ত অঞ্চলত উন্নয়নমূলক কামকাজৰ খতিয়ান গ্ৰহণ কৰিব। পাছলৈ উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে যুদ্ধ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ২১ জুন তাৰিখে শ্ৰী ৰাধাকৃষ্ণণে লেহত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত যুৱক-যুৱতী, শসস্ত্ৰ বাহিনীৰ জোৱানকে বিভিন্ন সংগঠনৰ সদস্যই অংশগ্ৰহণ কৰি যোগৰ জৰিয়তে সামগ্ৰিক স্বাস্থ্য আৰু মংগলৰ বাৰ্তা প্ৰেৰণ কৰিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ ওমকাৰেশ্বৰত  আন্তঃৰাষ্ট্ৰীয় ছিকেল ছেল দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ ওড়িশাৰ ৰায়ৰাংপুৰলৈ যাব। তাত শ্ৰীমতী মুৰ্মুৱে ভালেমান উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব। ইয়াৰ ভিতৰত ভূৱনেশ্বৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানে আয়োজন কৰা চিকিৎসা শিবিৰ, খনন প্ৰভাৱিত গাঁওসমূহৰ বাবে পাইপযোগে পানী যোগানৰ বৃহৎ আঁচনি, ব্ৰহ্মকুমাৰীৰ মাতৃ শক্তি ভৱন আৰু  বিশেষ আৰৰ্ত ভৱন অন্যতম। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে কালি মধ্যপ্ৰদেশৰ বেতুলত আধ্যাত্মিকতা জগাই তুলি জনজাতিয় সম্প্ৰদায়সূহৰ সবলীকৰণ সম্পৰ্কীয় এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ উন্নয়নৰ বাবে জনজাতীয় সম্প্ৰদায়সমূহৰ সবলীকৰণ জৰুৰী। জনজাতিয় লোকসকলৰ জীৱন প্ৰকৃতি আৰু আধ্যাত্মিক প্ৰমূল্যৰ সৈতে ঘনিষ্ঠ ভাৱে সংপৃক্ত বুলি তেওঁ উল্লেখ কৰে। বেতুলৰ পৰা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু মধ্যপ্ৰদেশৰ খান্দুৱা জিলাৰ ওমকাৰেশ্বৰত উপস্থিত হয় আৰু ওমকাৰেশ্বৰ তথা মমলেশ্বৰ জ্যোৰ্তিলিংগ মন্দিৰ দৰ্শন কৰে।

০০০০

ভাৰতে কালি নিউজিলেণ্ডত অনুষ্ঠিত মহিলাৰ এফ আই এইছ নেছনছ কাপ হকী প্ৰতিযোগিতাৰ পুল-এৰ এখন খেলত উৰুগুৱেক ৩-২ গ'লত পৰাস্ত কৰি প্ৰতিযোগিতাত একেৰাহে তৃতীয়খন খেলত বিজয় সাব্যস্ত কৰে। খেলখনত ভাৰতৰ হৈ দীপিকাই দুটা গ'ল আৰু দীপিকা ছোৰেঙে এটা গ'ল দিয়ে। উৰুগুৱেৰ হৈ ছিয়াৰা এম্পেনিন' আৰু মেনুৱেলা ৱিলাৰে একোটাকৈ গ'ল দিয়ে। ভাৰত এই জয়ৰ সুবাদত পুল-এৰ পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে আৰু দলটো ইতিমধ্যে চেমিফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত কাইলৈ চেমিফাইনেলত ছিলিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা আমেৰিকাৰ আটলাণ্টা ষ্টেডিয়ামত অনুষ্ঠিত চেকিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ গ্ৰুপ-এৰ খেলখন ১-১ গ'লত ড্ৰ হয়। ইয়াৰ ফলত দুয়োটা দল নকআউট পৰ্যায়ত প্ৰৱেশ কৰাৰ আশা সজীৱ হৈ আছে। ইপিনে ছুইজাৰলেণ্ডে যোৱা নিশা অনুষ্ঠিত এখন খেলত বছনিয়া  হাৰ্জেগোভিনাক ৪-১ গ'লত পৰাস্ত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ